# Regional News Unit
# All India Radio, Guwahati
# 0000000000

Date : 02-08-2024
Time : 1800 Hrs

*Assamese Evening Bulletin*

0000000

ৰাজ্যত কালিৰে পৰা অমৃত বৃক্ষ আন্দোলন ২.০ অনুষ্ঠিত হৈছে। এই অভিযানৰ অংশ হিচাপে আজি জাগীৰোডত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই গছপুলি ৰোপণ কৰে। জাগীৰোডৰ লোক নিৰ্মাণ বিভাগৰ অতিথিশালা চৌহদত গছপুলি ৰোপণ কৰি সকলোকে নিজৰ মাতৃৰ নামত গছপুলি ৰোপণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। আনফালে কাইলৈৰ দিনটো জাগীৰোডৰ লগতে সমগ্ৰ অসমৰ  বাবে ঐতিহাসিক দিন হব বুলি উল্লেখ কৰি শ্ৰীহাজৰিকাই কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ টাটাৰ প্ৰস্তাৱিত চেমি কনডাক্টৰ প্ৰকল্পৰ ভূমি পূজন কৰিব। প্ৰায় ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত ৩০ হাজাৰতকৈ অধিক যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব বুলিও মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰকাশ কৰে।

ooooooo

ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে কয় যে, বিগত ৩ বছৰত গোলাঘাট জিলাৰ কেইবাটাও খণ্ডত যথেষ্ট উন্নয়ন হৈছে। গোলাঘাটৰ আৰ্হত ভৱনত আজি এখন সংবাদমেল যোগে মন্ত্ৰী নেওগে কৈছে যে, গোলাঘাট সমষ্টিত নিৰ্মাণ হৈ থকা চিকিৎসা মহাবিদ্যালয়ৰ কাম ইতিমধ্যে ৩৮ শতাংশ সম্পন্ন হোৱাৰ লগতে বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ কাম ২১ শতাংশ সম্পূৰ্ণ হৈছে।  গোলাঘাট নগৰত নিৰ্মাণ হৈ থকা আয়ুক্তৰ কাৰ্যালয়ৰ কাম ২৩ শতাংশ সম্পন্ন হোৱাৰ বিপৰীতে জিলাখনত অসম মালাৰ অধীনত ধোদৰ আলিৰ কাম ১৭ শতাংশ, গোলাঘাটৰ পৰা মেৰাপানী সংযোগী পথৰ কাম ৯ দশমিক ৫ শতাংশ, গোহাই আলিৰ কাম ১৫ শতাংশ সম্পন্ন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। গোলাঘাট নগৰখনক যান জটৰ পৰা ৰক্ষা কৰিবলৈ গাড়ী ৰখা স্থানৰ সঠিক ব্যৱস্থা কৰিবৰ বাবেও চিন্তা চৰ্চা কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ২০২৫ চনত এখন নতুন গোলাঘাট উপহাৰ দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে গোলাঘাটত কৃত্ৰিম বানপানী ৰোধ কৰিবলৈ নলাৰ ব্যৱস্থা, ৰাস্তা আদি নিৰ্মাণ কৰাৰ কথাও মন্ত্ৰী অজন্তা নেওগে উল্লেখ কৰে।

ooooooo

গুৱাহাটীত অনুষ্ঠিত ব্যৱসায়িক সূচলতা সন্দৰ্ভত আই চি চিৰ মাহটোৰ অতিথিৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মুখ্য সচিব ৰবী  কোটাই উত্তৰ পূৰ্বাঞ্চলত ভাৰতীয় বাণিজ্য মহাসংঘই আগবঢ়োৱা অৰদান আৰু প্ৰচেষ্টাৰ শলাগ লয়। গুৱাহাটীত এনেধৰণৰ অনুষ্ঠানৰ আয়োজন অসমৰ ব্যৱসায়িক পৰিৱেশৰ ভৱিষ্যত গঢ়াৰ বাবে সকলো অংশীদাৰকে অভিলাসী লক্ষ্য নিৰ্ধাৰণৰ সুযোগ আগবঢ়াব বুলি ড০ কোটাই মন্তব্য কৰে। তেওঁ কয় যে, প্ৰথম দৃষ্টিত ব্যৱসায়ৰ সূচলতা বিষয়টো অতি সৰল যেন লাগিলেও প্ৰতিটো উদ্যোগকে সফল কৰি তোলাৰ ক্ষেত্ৰত বিস্তৃত কাম-কাজৰ প্ৰয়োজন। এই ক্ষেত্ৰত চৰকাৰ আৰু সকলো অংশীদাৰৰ মাজত প্ৰতিটো স্তৰতে মত বিনিময় হোৱাটো অতি গুৰুত্বপূৰ্ণ। এনে কাৰ্যই ব্যাপক মাত্ৰাত একোটা উদ্যোগক উপকৃত কৰাত সহায় কৰে। ড০ কোটাই লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যৱসায়িক সূচলতাৰ বাবে আইন অথবা নীতি নিয়মৰ সংশোধনৰ উপৰি নতুন আইন প্ৰনয়ন নাইবা অপ্ৰয়োজনীয় ৰঙা ফিটাৰ মেৰপেছ আঁতৰাই ভালেমান প্ৰত্যক্ষ আৰু পৰোক্ষ ব্যৱস্থা গ্ৰহণ কৰা বুলিও উল্লেখ কৰে। ইয়াৰ উপৰিও সমগ্ৰ দেশৰে উদ্যোগিক সংস্থাসমূহৰ সৈতে জড়িত হৈ উন্নতমানৰ অনুশীলন সমূহৰ সৈতে পৰিচিত হোৱা কাৰ্যও অতি গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে।

ooooooo

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সহযোগত ডিজিটেল শস্য সমীক্ষা, খাৰিফ ২০২৪ সন্দৰ্ভত  প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত প্ৰশিক্ষণৰ আজি শুভাৰম্ভণি কৰে। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ সঞ্চালনাত আয়োজিত প্ৰশিক্ষণ অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে ডিজিটেল শস্য সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ জৰিয়তে কৃষক কেনেদৰে উপকৃত হ'ব সেই বিষয়ত সকলো কথা নিয়াৰিকৈ আলোচনা কৰিবলৈ আহ্বান জনায়।

ooooooo

ৰাজ্যৰ পৰিবহন, তথ্যপ্ৰযুক্তি, বিজ্ঞান-প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মন্ত্ৰী শ্ৰীমহন্তই শিলচৰত পৰিবহন বিভাগে ব্যৱহাৰ কৰি থকা কেন্দ্ৰীয় মন্ত্ৰালয়টোৰ দ্বাৰা স্থাপিত নেশ্যনেল ইনষ্টিটিউট ফৰ অটোমেটিভ ইন্সপেকচন, মেইণ্টেনেণ্ডছ এণ্ড ট্ৰেইনিঙক পূৰ্ণ ৰূপত কাৰ্যক্ষম কৰি অটোমেটেড টেষ্টিং

চেণ্টাৰলৈ উন্নীতকৰণৰ অনুৰোধ জনায়। তদুপৰি শিলচৰৰ ধূলছেড়াৰ নেশ্যনেল হিল এৰিয়া ড্ৰাইভিং ট্ৰেইনিং চেণ্টাৰটো পুনৰুজ্জীৱিত কৰিবলৈ আনুৰোধ জনায়।

০০০০০০০

পেৰিছ অলিম্পিকৰ সপ্তম দিনা আজি আৰ্চাৰ অংকিতা ভকত আৰু ধীৰাজ বোম্মাদেবাৰা দলীয় মিক্সড শিতানত ইণ্ডোনেছিয়াক ৫-১ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেল খেল খেলাৰ যোগ্যতা অৰ্জন কৰে। পুৰুষৰ হকীত ভাৰতীয় দলে গ্ৰুপ পৰ্যায়ৰ শেষৰখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তৃতীয়াৰ্ধৰ খেলৰ শেষত ৩-১ গলত আগবাঢ়ি আছে। ইপিনে, শ্বুটিঙত দুটা অলিম্পিক পদক বিজেতা মনু ভাকৰে ২৫ মিটাৰ এয়াৰ পিষ্টল শিতানত ফাইনেলত প্ৰৱেশ কৰে। গল্ফত শুভংকৰ শৰ্মা আৰু গগনজিৎ ভাল্লাৰৰ প্ৰতিদ্বন্দ্বিতা অব্যাহত আছে। আনহাতে ৰ'য়িঙত ভাৰতৰ একমাত্ৰ প্ৰতিনিধি বলৰাজ পানৱাৰে পুৰুষৰ একক স্কালছ শিতানত আজি ফাইনেলত অৱতীৰ্ণ হৈছে। ইপিনে, বেডমিণ্টনত ভাৰতৰ লক্ষ্য সেনে আজি চিনা টাইপেৰ ছৌ টিয়েনচেনৰ বিৰুদ্ধে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। আজি সন্ধিয়া চাৰে ৬ বজাত খেলখন অনুষ্ঠিত হ'ব। জুডোত ৭৮ কিলোগ্ৰামতকৈ ওপৰৰ শাখাত তুলিকা মানে ৩২ সংখ্যক ৰাউণ্ডত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। এথলেটিকছত অংকিতা ধ্যানী, পাৰিল চৌধাৰী আৰু তাজিন্দৰ পাল সিং টুৰে ক্ৰমে মহিলাৰ ৫ হাজাৰ মিটাৰ কোৱালিফিকেশ্যন ৰাউণ্ড আৰু পুৰুষৰ শ্বটপুটত অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত